# দিলীপ দত্তক সংস্কৃতিৰ জগতলৈ জীৱনজোৰা বৰঙণিৰ বাবে ডক্টৰ ভূপেন হাজৰিকা ফাউণ্ডেছনৰ স্বীকৃতি

যৌৱনৰ দুৰ্বাৰদলিত ভৰি দি ভূপেন হাজৰিকাই ৰচিছিল 'অগ্নিযুগৰ ফিৰিঙতি মই নতুন অসম গঢ়িম'। অসমত ভেদাভেদৰ প্ৰাচীৰ ভাঙি সাম্যৰ সৰগ ৰচিবলৈ তেঁওৰ আজীৱন প্ৰচেষ্টাকে সুঁৱৰি তেঁওৰ নশ্বৰ দেহাক শেষবাৰৰ কাৰণে চাবলৈ উত্তৰ পূব ভাৰতৰ পাহাৰ ভৈয়ামৰ পৰা লক্ষ লক্ষজনে ২০১১ চনৰ নৱেম্বৰ মাহত দলে দলে জালুকবাৰীলৈ ঢাপলি মেলিছিল। ভূপেন হাজৰিকাৰ উদ্যমক সজীৱ কৰি ৰাখিবলৈ আৰু সেই লক্ষ লক্ষজনৰ স্নেহৰ প্লাৱনত প্ৰতিফলিত শক্তিক জীৱন্ত জাগ্ৰত ৰূপে খটুৱাবৰ উদ্দেশ্যেৰে তেঁওৰ একমাত্ৰ সন্তান তেজ হাজৰিকাই প্ৰতিষ্ঠা কৰা **ডক্টৰ ভূপেন হাজৰিকা ফাউণ্ডেছনে** "ডক্টৰ ভূপেন হাজৰিকা ফিৰিঙতি" নামে দুটা স্বীকৃতিৰ বঁটা দিবলৈ আৰম্ভ কৰিছে। তেজ হাজৰিকাই প্ৰকাশ কৰা বিজ্ঞপ্তিৰ মতে এই স্বীকৃতিৰ দুটা উদ্দেশ্য হৈছে:

১) ভূপেন হাজৰিকাৰ গুণমুগ্ধসকলে তেঁও আৰু তেঁওৰ সৃষ্টিবিলাকৰ প্ৰতি প্ৰদৰ্শোৱা সন্মানক চিৰস্থায়ী ৰূপ দিয়া।

২) ভৱিষ্যত প্ৰজন্মক নিজৰ প্ৰতিভা আৰু সৃষ্টিশীলতাক চিৰসুন্দৰ আৰু সমাজক সেৱাৰে সফল কৰিবলৈ প্ৰেৰণা যুগুৱা যাতে তেঁওলোকে ভূপেন হাজৰিকাৰ সাম্যবাদী আৰু মানৱতাাদী আদৰ্শক প্ৰয়োগ কৰিবলৈ হাবিয়াস কৰে।

ইতিমধ্যে, প্ৰথমবাৰৰ কাৰণে সৃষ্টিৰ জগতত জীৱনজোৰা বৰঙণিৰ বাবে এই স্বীকৃতিৰ কাৰণে বিচাৰক সকলে ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গণিত অধ্যাপক ডক্টৰ দিলীপ কুমাৰ দত্তক নিৰ্বাচিত কৰে। ডক্টৰ দত্তই ভূপেন হাজৰিকাৰ গীত আৰু আন আন অসমীয়া গীত সংগ্ৰহ আৰু সংৰক্ষণ আৰু বিশ্লেষণৰ কাৰণে আজীৱন কৰি অহা প্ৰচেষ্টাক ভূপেন হাজৰিকা ফাউণ্ডেছনে এই বঁটাৰ দ্বাৰা স্বীকৃতি প্ৰদান কৰে। ভাৰতৰ ভিন ভিন সংস্কৃতিৰ নৃত্য গীত আদি আমেৰিকাত পৰিৱেশন কৰি অহা উদ্যোগী ডেকা মনোৰঞ্জন বৰদলৈক 'নতুন মনৰ তৰুণ কাণ্ডাৰী' নামৰ আনটো বঁটা দিয়া হয়।

যোৱা ১১ জুলাইৰ দিনা প্ৰখ্যাত আৱিষ্কাৰক টমাছ আল্ভা এডিচনৰ জন্মক্ষেত্ৰ নিউ যাৰ্চি ৰাজ্যৰ এডিচন চহৰত জনপ্ৰিয় অসমীয়া গায়ক পাপন আৰু ইষ্ট ইণ্ডিয়া কোম্পানীয়ে পৰিৱেশন কৰা এক গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত তেজ হাজৰিকাই এই বঁটা দুটা নিজ হাতে প্ৰদান কৰে।